**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31MAY-2026 **Time :** 0755 HRS

***Assamese Morning Bulletin***

————————————————

GMC / RNU (31-05-2026) MORN

গুৱাহাটী মহানগৰক পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ বাবে পৌৰ নিগমে এলানি বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। স্বচ্ছ অভিযানক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ বাবে পৌৰ নিগমে পুনৰ স্বচ্ছতা বিষয়ক প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই সন্দৰ্ভত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই সংবাদমেল সম্বোধন কৰি কয়, যে মহানগৰীৰ উন্নয়ন সমিতি, নাগৰিক সমিতি, মহিলা সমিতিকে ধৰি বিভিন্ন সংঘ, ক্লাবসমূহৰ মাজত স্বচ্ছতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ বাবে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে পৰহিলৈৰ পৰা ১৫ জুনলৈকে নাম পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত সৰ্বমুঠ ১৫০ নম্বৰ থাকিব বুলি সদৰি কৰি শ্ৰীশৰণীয়াই কয়, যে প্ৰতিযোগী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে স্বচ্ছতাৰ ভিন ভিন দিশত নম্বৰ লাভ কৰিব। ইয়াৰ ভিতৰত শুকান আৰু ভিজা জাৱৰ পৃথক কৰাৰ ক্ষেত্ৰত ১০ নম্বৰ, প্লাষ্টিক, জাৱৰমুক্ত নলা-নৰ্দমাৰ ক্ষেত্ৰত ১০ নম্বৰ, মুকলি স্থানত জাৱৰ নাথাকিলে ১০ নম্বৰ, বৃক্ষ ৰোপণত ১০ নম্বৰ আৰু দেৱাল লিখনৰ ক্ষেত্ৰত ১০ নম্বৰকৈ থাকিব। ইয়াৰ লগতে ঘৰ, দোকান, দেৱাল আদিত কপৌফুলৰ সৈতে সামঞ্জস্য ৰাখি পাতল বেঙুনীয়া ৰং ব্যৱহাৰ কৰিলে ৫০ নম্বৰ লাভ কৰিব। গুৱাহাটী মহানগৰক বেঙুনীয়া নগৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মেয়ৰ মৃগেন শৰণীয়াই জানিবলৈ দিয়ে।

মুঠ ছটা সংমণ্ডলৰ অধীনত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰতিটো সংমণ্ডলত তিনিটা পুৰস্কাৰ থাকিব। প্ৰথম পুৰস্কাৰ ৩ লাখ টকা, দ্বিতীয় পুৰস্কাৰ ২ লাখ আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১ লাখ টকা থাকিব। ৫০ হাজাৰ টকাকৈ তিনিটা নিচুকনি পুৰস্কাৰৰ ব্যৱস্থা কৰা হ'ব। আটাইকেইটা সংমণ্ডলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক ৫ লাখ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব।

গুৱাহাটী মহানগৰৰ স্বচ্ছতাৰ মান উন্নত কৰাৰ বাবে এহেজাৰ স্বচ্ছ সখী নিয়োগ কৰাৰ লগতে জুন মাহৰ পৰা ঘৰে ঘৰে জাৱৰ সংগ্ৰহৰ বাবদ ৩০ টকাকৈ আদায় লোৱা বুলি শ্ৰীশৰণীয়াই সংবাদমেলত উল্লেখ কৰে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন আৰু যাত্ৰীৰ সুবিধা বৃদ্ধিত গুৰুত্ব আৰোপ কৰি ৰাজ্যৰ ৰে'ল আন্তঃগাঁথনিৰ বিকাশ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। সামাজিক মাধ্যমযোগে বৈঠকৰ সবিশেষ প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে তেওঁলোকে এহেজাৰ ৩০০ কিলোমিটাৰৰো অধিক ৰে'ল পথৰ সম্প্ৰসাৰণ আৰু অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ৫০ টাৰো অধিক ষ্টেচনৰ পুনৰ নিৰ্মাণকে ধৰি ৰাজ্যত ৰে'ল নেটৱৰ্কৰ ৰূপান্তৰৰ বিষয়লৈ আলোচনা কৰে। ৰে'ল যোগাযোগ ব্যৱস্থা, পৰিবহন আন্তঃগাঁথনিৰ উন্নয়ন আৰু অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই আলোচনা

অনুষ্ঠিত হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বৰ্তমানৰ প্ৰকল্পসমূহৰ কাম সম্পূৰ্ণ হ'লে যাত্ৰীৰ সুবিধা বৃদ্ধি পাব, সামগ্ৰী পৰিবহন ব্যৱস্থা উন্নত হ'ব আৰু ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ মানচিত্ৰত অসমৰ স্থিতি শক্তিশালী হৈ উঠিব।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌজন্যমূলক সাক্ষাৎ কৰে। এয়া হৈছে ড০ শৰ্মাই একেৰাহে দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰথম আনুষ্ঠানিক মত বিনিময়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীক অসমৰ নৱগঠিত এন ডি এ চৰকাৰৰ প্ৰাথমিক অগ্ৰগতি আৰু অগ্ৰাধিকাৰৰ বিষয়ে অৱগত কৰে। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰধানমন্ত্ৰী মোদীৰ অবিৰত সমৰ্থন আৰু নেতৃত্বৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে ৰাজ্যখনৰ ভৱিষ্যত উন্নয়নৰ বাবে তেওঁৰ পথ প্ৰদৰ্শন আৰু আশীৰ্বাদ বিচাৰে। এই বিষয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০০০০

যোৰহাট জিলাত মাদক দ্ৰব্যৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ বাবে স্বাস্থ্য বিভাগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনত মাদক দ্ৰব্যৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ লগতে কেইবাজনো লোকৰ দেহত এইচ আই ভিৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিভাগে এই ব্যৱস্থা লৈছে বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰে।

(বাইট)

জিলাখনত আৰক্ষীয়েও মাদক দ্ৰব্য সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

**সমাপ্ত**